# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২০০১ চনত সংসদ ভৱনত সন্ত্ৰাসবাদীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণাহুতি দিয়া বীৰ জোৱানসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে সুৰক্ষা কৰ্মীসকলৰ সাহস আৰু নিস্বাৰ্থ সেৱাৰ কথা স্মৰণ কৰি কয়, যে তেওঁলোকে দেশবাসীক নিৰন্তৰভাৱে অনুপ্ৰাণিত কৰি আহিছে। ৰাষ্ট্ৰপতিয়ে লগতে এই ত্যাগৰ বাবে তেওঁলোকৰ ওচৰত দেশ সদায় কৃতজ্ঞ হৈ থাকিব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই সাহসী জোৱানসকলৰ ত্যাগে দেশবাসীক সদায় অনুপ্ৰাণিত কৰিব বুলি প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ সংসদভৱন চৌহদত এই সন্ত্ৰাসবাদী আক্ৰমণৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি যোৰহাট জিলাৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ মুঠ ১২ হাজাৰ ৬৪৭ গৰাকী ঋণীলৈ দ্বিতীয় পৰ্যায়ত ন ডিউজ চাৰ্টিফিকেট  বিতৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ- পি এম এফ এম ই ছীড কেপিটেল আঁচনিৰ অধীনত মূলধনী বিনিয়োগৰ ওপৰত ৩৬৬ গৰাকী ব্যক্তিলৈ ৰাজসাহাৰ্য বিতৰণ কৰিব। একেটা অনুষ্ঠানতে দুৰ্যোগত ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ পোনপটীয়াকৈ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হ'ব।

কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয় চৌহদত আয়োজিত এই কাৰ্যসূচীত আজি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থকাৰ কথা।

oooooo

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধীকৰণৰ সৌজন্যত কাইলৈ তিনিচুকীয়া জিলাত লোক আদালতৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলা ন্যায়িক আদালতৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা সমজিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণত লোক আদালত অনুষ্ঠিত হ'ব। আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰ যোগ্য বিবাদৰো এই লোক আদালতত মিমাংসা কৰা হ'ব।

oooooo

গুৱাহাটীৰ খানাপাৰাৰ কৃষি ভৱন প্ৰেক্ষাগৃহত পৰহিলৈ **বৈজ্ঞানিক চেতনা দিৱস**ৰ আয়োজন কৰা হৈছে। যুক্তিবাদী লেখক ড০ শিৱনাথ বৰ্মনৰ সোঁৱৰণত অনুষ্ঠিত হ'বলগীয়া এই দিৱসত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন

উপাচাৰ্য তথা গৱেষক ড০ কুলেন্দু পাঠকে বৈজ্ঞানিক চেতনা আৰু শিৱনাথ বৰ্মন শীৰ্ষক বিষয়ৰ স্মাৰক বক্তৃতা প্ৰদান কৰিব। অনুষ্ঠানত **যুক্তিবাদ আৰু বিজ্ঞান মনস্কতা** নামৰ এখন গ্ৰন্থও উন্মোচন কৰা হ'ব। ১৫ ডিচেম্বৰৰ পুৱা চাৰে ৯ বজাত হ'বলগীয়া এই দিৱসৰ কাৰ্যসূচীলৈ সকলো ৰাইজকে উদ্যোক্তাসকলে আমন্ত্ৰণ জনাইছে।

০০০০০০

নগাঁও জিলাৰ মৰিকলং আৰক্ষীয়ে কালি নিশা নগাঁও চহৰৰ সমীপৱৰ্তী ধেপাজান কুটাইনি অঞ্চলত অভিযান চলাই বহু পৰিমাণৰ ড্ৰাগছসহ আজাজুল হক নামৰ এজন যুৱকক আটক কৰে। আৰক্ষীয়ে ধৃত যুৱকজনৰ পৰা তিনিটা ড্ৰাগছ ভৰ্তি কণ্টেনাৰসহ প্ৰায় ৮৫৩ টা নিষিদ্ধ টেবলেট আৰু নগদ ধন জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৰাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত আজি ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ নামি মাটছুয়ামা আৰু ছিহাৰু ছিদাৰ যুটীৰ হাতত ১৭-২১, ১৩-২১ গেমত পৰাস্ত হয়।

এই প্ৰতিযোগিতাখনত প্ৰতিনিধিত্ব কৰা ভাৰতৰ একমাত্ৰ যুটীটোৰ পৰাজয়ৰ পাছতে বি ডব্লিউ এফ ৱাৰ্ল্ড টুৰ ফাইনেলত ভাৰতৰ অভিযানৰ অন্ত পৰে।

০০০০০০

সমাপ্ত